# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 03-Nov-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

————————————————————

স্নাতক যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে আজি কিছু সময়ৰ পূৰ্বে আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰে। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থাকে। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতিকে ধৰি অন্যান্য ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

ooooo

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ অন্তত ডিচেম্বৰৰ ১০ তাৰিখৰ ভিতৰতে অভিযোগনামা দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ প্ৰকাশ কৰিছে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, যে এই অভিযোগনামা ১৭ ডিচেম্বৰৰ পূৰ্বে দাখিল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও ৮ তাৰিখৰ ভিতৰতে এই অভিযোগনামা দাখিলৰ বাবে মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিছে। অভিযোগনামা দাখিল প্ৰক্ৰিয়াত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অনুমোদন প্ৰয়োজন হোৱা হেতুকে মুখ্যমন্ত্ৰীয়ে কালি এই অনুমোদনৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে নতুন দিল্লীত আলোচনা কৰে বুলিও জানিবলৈ দিয়ে।

**বাইট (চি এম)**

ইপিনে আজিও অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে কেইবাগৰাকীও লোকৰ সাক্ষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰ আজি পুনৰ সাক্ষ্য লোৱা হয়। একেদৰে সাংবাদিক তথা ইউটিউবাৰ চক্ৰপাণি পৰাশৰো আজি আৰক্ষীয়ে সাক্ষ্য গ্ৰহণ কৰে।

ooooo

অসম প্ৰকাশন পৰিষদে ২০২৫ বৰ্ষৰ প্ৰকাশন পৰিষদ সাহিত্য বঁটাৰ বাবে গ্ৰন্থ আহ্বান কৰিছে। ২০২২ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্য গ্ৰন্থৰ মাজৰ পৰা বাছনি লাভ কৰা গ্ৰন্থৰ লেখক আৰু প্ৰকাশকক এই বঁটাৰে সন্মানিত কৰা হ'ব। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই বঁটা লাভ কৰা গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে

মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ সৈতে মানপত্ৰ দিয়া হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। আবেদন প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ দুটা কপি অহা ২০ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। ডাকযোগে প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি প্ৰেৰণ কৰিব পাৰিব অথবা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয়ত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত জমা দিব লাগিব। প্ৰয়োজনীয় প্ৰ-পত্ৰ অসম প্ৰকাশন পৰিষদৰ ৱেবছাইটত পোৱা যাব।

০০০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে পৰহিলৈ এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাত আৰু লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ৰাজ্যৰ বিভিন্ন ঠাইতো পৰহিলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বৰপেটা** জিলাত সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে ৫ হাজাৰ শিল্পীয়ে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰপেটা পৌৰসভাৰ খেলপথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি নিবেদনেৰে কাৰ্যসূচী আৰম্ভ হ'ব। অনুষ্ঠানত ৩৪ খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব।

০০০০০

ওদালগুৰি জিলাৰ মাজবাট সমষ্টিৰ লামাবাৰী চাহ বাগিচাত আজি সদৌ অসম চাওৰা সমাজৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। এই উপলক্ষে চাহবাগিচাখনৰ চাওৰা সমাজ প্ৰাথমিক গোটৰ সৌজন্যত আয়োজিত কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকে। সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰি, চাওৰা সমাজৰ যুৱ প্ৰজন্মই শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক দিশত বিকাশ সাধনেৰে জনগোষ্ঠীটোৰ লগতে অসমীয়া জাতিৰ উন্নতিতো অৰিহণা যোগাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

সমাপ্ত